তেওঁলোক আটাইৰে একেটাই কাম্য বস্তু ··· স্বাধীনতা
দক্ষিণক ৰক্ষা কৰা—আমাৰ প্ৰিয় দক্ষিণ দেশ।
তোমালোকে দক্ষিণক ৰক্ষা কৰিবই লাগিব।
এনেকি বুদ্ধৰ ৰাজ্যও আলোড়িত হয় ক্ৰোধৰ আতিশয্যত
ভিক্ষু সকলো জাগ্ৰত হয় আৰু আত্মাহুতি দিয়ে প্ৰজ্বলিত বহ্নি শিখাত,
নিজকে জোৰৰ দৰে আলোকিত কৰে,
স্বাধীনতা আৰু জীৱন নিৰ্বাহৰ বাবে।

মোৰ প্ৰিয় পিতৃভূমি। পৰ্বত আৰু নদীবোৰ,
মহান আৰু উদাৰ, শৌৰ্যময় দেশ, বিংশ শতাব্দীৰ
সুগন্ধি কুসুম, গৌৰৱান্বিত হোৱা শেষ সাম্ৰাজ্যৰ বিৰুদ্ধে
অবিৰাম যুদ্ধত নিজৰ স্থানৰ বাবে ;
মেৰুদণ্ড পোন কৰা হে আক্ৰান্ত দক্ষিণৰ
মহান অধিবাসীগণ,
বোমাবৰ্ষণৰ মাজতো এতিয়াও দীপ্তিমান
আক্ৰান্ত দক্ষিণ ······

---

[ "The Penguin Book of Socialist Verse" ত সন্নিবিষ্ট ভিয়েটনামৰ কবি To Huu ৰ "Invaded South" ৰ মুকলি অসমীয়া ভাঙনি ]

কাৰণ তুমি, মোৰ দেশ
একাকী সংগ্ৰামৰত, পীড়িত, আমাৰ আক্ৰান্ত দক্ষিণ।

চোৱা মোৰ বন্ধু অকণ অকণিহঁতৰ কণ কণ ঘূৰণীয়া
ক'লা চকুবোৰলৈ,
কঁটাতাৰৰ বেৰৰ সিফালে জিলমিলাই থকা
সেই নিবন্ধ্ৰ এন্ধাৰৰ দৰে ক'লা আপেলবোৰ তিৰ্ বিৰ্ কৰে চকুলোৰে
চৌকাষে যেতিয়া দেখে লেলিহান জুইৰ শিখা!

কোনে জানে, তোমালোকৰ কিমানৰ কান্ধৰ মূৰ মাটিত পৰিল
বিগত তিনি হেজাৰ নিশাত? কোনে ৰাখে হিচাব?
কোনে জানে কত নৈ ৰক্তৰঞ্জিত হ'ল,
দক্ষিণৰ তেজ, মোৰ স্বদেশ, বিচ্ছিন্ন, যন্ত্ৰনাক্ত,
প্ৰায় দহ বছৰ ধৰি ··· —

সৌ সুন্দৰী ষোড়শীহঁতলৈ দৃষ্টি দিয়া, এতিয়া যৌৱনেৰে উচ্ছলিত,
সুগোল বদন স্নেহ আৰু আশাৰে সঞ্জীৱিত।
অবিলম্বে, কোনো এক মধুৰ বাসন্তী প্ৰভাতত,
সিহঁতক জগোৱা হ'ব আক্ৰমনকাৰীহঁতৰ বোমাৰ আঘাতত ভস্ম হবলৈ?

শুনা, মোৰ বন্ধু; আমাৰ আক্ৰান্ত দক্ষিণৰ পৰা
ভাঁহি আহে সিহঁতৰ "উৰন্ত ঈগল" ৰ মাৰাত্মক গৰ্জন!
শুনা সেই নৰখাদক চিকাৰী কুকুৰ জাকৰ ভুক্‌ভুকনি,
সিহঁত আহিছে মানুহৰ বুকুৰ আগ মঙহ খাবলৈ,
মানুহৰ কেঁচা তেজ পান কৰিবলৈ······

শুনা, মোৰ বন্ধু, জীৱিত সকলৰ কণ্ঠস্বৰ,
মহাসমুদ্ৰৰ পৰ্বত প্ৰমাণ উত্তাল উৰ্মিৰ দৰে,
মৃতসকলৰ কণ্ঠস্বৰলৈকো কাণ দিয়া,
লেপেটিয়া, তাল আৰু নাৰিকল পাতৰ বতাহজাকৰ দৰে,

# সিহঁত

হংসধৰ দৈমাৰী
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক।

আঁউসী নিশাৰ
নিৰৱতা ভঙ্গ কৰি
ধুমুহা বৃষ্টিত ফুট
বিজুলী চেবেকনি
অশান্ত মানস পটত।

দুৰ্বোধ্য মায়াৰ
পৰিধিৰ মাজত
সিহঁত আৰু সত্তাৰ
অবিৰাম যুদ্ধ চলে
জীৱন মৰণৰ
পোৱা নোপোৱাৰ।

সিহঁতৰ প্ৰস্তুতি
অস্থিৰ চঞ্চলতাৰ সৃষ্টি
অদম্য সিহঁত অজেয় ৰণুৱা
উত্তেজিকা শক্তিৰ
অমোঘ ধ্বজা উৰুৱাই
জীৱন চৰিতত॥

# সম্রাট! শুনা সেয়া কালৰ সংবাদ—

কামিনীমোহন শৰ্মা

"সর্বজনক সর্বকালনৈ ফাঁকি দিয়া অসন্তৰ
অসন্তৰ বুটৰ চেপাত বথা। হে ৰাজন!
প্রতাৰিতৰ প্রতিশোধ, পীড়িতৰ প্রতিহিংসা বৰ নির্মম,
যদি পৰি যায় গর্বৰ টিঙত তোলা অভিজাত সিংহাসন
বৰ করুণ তাৰ ভাঙন তাৰ ভূলুণ্ঠন।
সমতলে ভাল—আহিব ধুমুহা ভূকম্পন।
ৰাঢ় আইন জাৰি কৰি
ইতিহাসৰ আচামী নহবা ৰাজন!
দৃঢ় নীতি আচলতে দুর্নীতি।
নিয়ম ভঙাই হ'ল কালৰ নিয়ম।
শান্তি পোৱা কঙ্কালত ব্যাঘ্রাঘাত নকৰিবা
বুমৰেং হৈ মাৰিব।
'শিয়ালৰ হোৱা' বুজা অমাত্য বর্গৰ
মন্ত্রণাত মূল্য নিদিবা—
সিহঁত অত্যন্ত লেহুকা, পিচল।
ৰাসৰ গোপিনী সবৰ দৰে
তোমাক কৃষ্ণ কৰি সৌষে মোচাহেৰ, নফৰ বান্দাবোৰ
সিহঁতৰ ভজন ভুৱা ;
সিহঁতৰ যোৰহাতত
ফুল নাই তোমাক পূজাৰ
আছে কিৰ্পান—আত্মৰক্ষাৰ।
তোমাৰ হাতৰ সেই উজ্বল ৰাজদণ্ড
শক্তিৰ প্রতীক নহয় ভূত্যৰ প্রতীক।
— প্রেমৰ অধিকাৰ সার্বজনীন;
সদাউন্নত শিৰৰ প্রজা
সম্রাটৰ শত্রু নহয় ৰক্ষা কৱচ।"

—X—

# এখন মুকলি চিঠি

শ্ৰীআনন্দ চন্দ্ৰ দাস
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়।

মৰমৰ সত্যেন,

তোমাৰ খবৰ নোপোৱা নহয়। পাইয়ে আছোঁ। তথাপি এইখন লিখিলোঁ। বেয়া নেপাবা। যোৱা কালি মই ৺হেম বৰুৱাৰ "ডাক পখিলী" খন পঢ়ি শেষ কৰিলোঁ। কিতাপ খনৰ প্ৰবন্ধ কেইটা চিঠি সাহিত্যৰ মাধ্যমেৰে লিখা হৈছে। কিতাপখন পঢ়ি খুব ভাল লাগিল। কেইটামান ভাল কথা জানিব পাৰিলোঁ। কিতাপ পঢ়িলে, মোৰ মতে এই লেখীয়া কিতাপহে পঢ়িব লাগে। ফাং-ফুং কিতাপ পঢ়িনো কি লাভ আছে।

অসমীয়া সাহিত্যত হেনো চিঠি সাহিত্যৰ অভাৱ। সেই কাৰণে সম্ভৱ ৺হেম বৰুৱাই এইখন লিখি এই লেখীয়া সাহিত্য চহকী কৰি থৈ গ'ল। পিছে এইখন মই এই উদ্দেশ্যেৰে লিখা নাই। আচলতে কি জানা? ভাল কথা জানিলে কাৰোবাক কবলৈ মন যায় আৰু কবলৈ নাপালে বেয়া লাগে। কিন্তু আজি কালি কিমান জনে ভাল কথা আলোচনা কৰে? আটাইয়ে হিন্দী কথাছবিৰ নায়ক নায়িকা সকলোক লৈ মছগুল। গতিকে চিঠিৰ ছলেৰে তোমাৰ লগতে আলোচনা কৰোঁ। কিতাপ পঢ়িবলৈ আমাৰ খুব এলাহ, নহয় জানো? কোনোবাই যিহকে পায় তাকে লিখি থৈ গৈছে আমি তাকে পঢ়িম নে? কিন্তু আমাৰ অন্তৰ যাতে বহল আৰু জ্ঞানী হয় তাৰ কাৰণে আমি কিতাপ পঢ়া খুউব প্ৰয়োজন। এই বিষয়ে ৺হেম বৰুৱাই ধুনীয়াকৈ লিখিছে। "কিতাপ পঢ়াটো মানুহে জীৱনৰ অভ্যাস কৰি লোৱা উচিত। কিতাপ পঢ়িলে মানুহ মনৰ দিগন্ত বহল হয়। আত্মায়ো শান্তি পায়। বেয়াৰ ফাললৈ মনটো চাল নোখোৱাকৈ বাখিবলৈ হলে মানুহৰ জীৱনত কিবা নহয় কিবা এটা অনুপ্ৰেৰণাদায়ক সৎ আকৰ্ষণ লাগে। কিতাপতকৈ ডাঙৰ আকৰ্ষণ কি হব পাৰে? জৱাহৰলাল নেহৰুক মই ভাল পোৱা ইও এটা কাৰণ। মানুহজনে খুব কিতাপ পঢ়িছিল।

৺হেম বৰুৱাই খুব কিতাপ পঢ়িছিল। তেওঁ পালিয়ামেণ্টলৈ যাওঁতে সদায় এখন ভাল কিতাপ মোনাত ভৰাই লৈ গৈছিল। তাকে দেখি এদিনা-খন হেনো নেহৰুই কৈছিল "বৰুৱাৰ পেটটোৰ দৰে দেখোন মোনাটোও ডাঙৰ হৈ আহিব ধৰিছে"। আজৰি সময়ত হেনো পালিয়ামেণ্টৰ লাইব্ৰেৰীত বহি কিতাপ পঢ়াত ব্যস্ত আছিল। বৰুৱাই অসমক খুব ভাল পাইছিল। অসমীয়া ভাষাটোকো ভাল পাইছিল। কোনো বিদেশী কিতাপত ভালকথা পালে তেওঁ সেইটো অসমীয়া ৰাইজৰ মাজত বিলাই দিছিল। ইংৰাজীও খুব ভালদৰে কব আৰু লিখিব পাৰিছিল। নেহৰুয়ো ইংৰাজী খুব ভাল কব আৰু লিখিব পাৰিছিল। দুয়োজনেই খুব কিতাপ পঢ়িছিল। সেইকাৰণে সম্ভৱ নেহৰু আৰু বৰুৱাৰ মাজত এটি ভালপোৱা ভাব গঢ়ি উঠিছিল।

অসমক ভাল নোপোৱা অসমীয়া মানুহো আছে। এনেকি ভাষাটোকো ভাল নাপায়। দুই চাৰিটা ইংৰাজী শিকি সিহঁতে একেবাৰে চাহাব হৈ গৈছে। সিহঁতে অসমীয়া ভাষাক, অসমীয়া সমাজক ভাল নাপায়। সিহঁতৰ জিভাৰ আগতে থাকে—"অসমীয়াই কি কৰিব ?" ৺হেমবৰুৱাই এইসকলক ঘিণ কৰিছিল। এই বিষয়ে বৰুৱাই এঠাইত লিখিছে—"আমাৰ ঘিসকল ৰাজনৈতিক নেতাই কয়ঃ 'এ, অসমীয়া ল'ৰাই কি কৰিব।' সেই সকলক মই বেয়া পাওঁ। সুযোগ-সুবিধা পালে অসমীয়া ল'ৰাই সকলো পাৰিব। আজি এঘাৰ বছৰ কাল দিল্লীত আছোঁ। ভাৰতৰ আন প্ৰান্তৰ বহুতো মানুহক নিবিড়ভাৱে লগ পাইছোঁ। ক'ত্তা—আমাৰ অসমৰ মানুহতকৈ কোনো গুণে দেখোন তেওঁলোক শ্ৰেষ্ঠ নহয়।" সঁচাকথা, সুযোগ সুবিধা পালে কোনে কি কৰিব নোৱাৰে ? আমি চ'াগে ভাল ল'ৰা হ'ব পাৰিলোঁহেতেন। কিমানটা সমস্যাৰ সমাধানৰ বিষয়ে যে আমি ভাবিব লাগে !

আৰু এটা কথা। বৰ্তমান আমাৰ গাৰ পৰা শিষ্টাচাৰ বোলা বস্তুটো একেবাৰে নোহোৱা হ'ল। আমি শিষ্টাচাৰৰ প্ৰতি বেছি গুৰুত্ব নিদিওঁ। কিন্তু এই শিষ্টাচাৰে মানুহৰ চৰিত্ৰ গঠনত প্ৰধান অৰিহণা যোগায়। এই শিষ্টাচাৰে এখন সমাজৰ সভ্যতাৰ পৰিচয় দিয়ে। ৺হেমবৰুৱাই এই বিষয়ে তেওঁৰ নিজা অভিজ্ঞতাৰ পৰা ধুনীয়া উদাহৰণ দিছে—

"এবাৰ অসমৰ চহৰ এখনৰ দোকান এখনত বহি আছো। এইফালৰ এহাল অত্যাধুনিক পুৰুষ মহিলা দোকানখনত সোমাইছেহি। এই ফালৰ পৰা বৰ্তমান অসমলৈ যোৱা মানুহে নিজকে কিবা এক বিশেষ গোষ্ঠিৰ বুলি ভাবে। এইবোৰকে দেখি-শুনি আমাৰ অনুকৰণ প্ৰিয় অসমীয়া কিছুমানৰো গাত গোসাঁই নোহোৱা হ'ল। দোকানৰ চকীখনতে বহি আছোঁ। এনেতে সেই পুৰুষ-মহিলাহাল সোমালহি। সোমায়েই মহিলা গৰাকীয়ে এফাল শাৰীখন অলপ ওপৰলৈ উজাই লৈ মই বহী থকা চকীখনৰ এফালে ভৰিটো তুলি কিবা এক ভঙ্গীত বৈ থাকিল। মহিলা গৰাকীৰ গাৰ ৰং বগা যদিও দেখিবলৈ অকনো শুৱনি নহয়। বকুৰে-পেটে সমান। এটা যেনিবা আলকতৰাৰ পিপাহে।" চোৱাচোন মানুহজনী আধুনিকা আৰু ভদ্ৰমহিলা। কিন্তু তেওঁৰ ব্যৱহাৰ খিনিয়ে ভদ্ৰতাৰ

পৰিচয় দিলেনে ? কোনো ভদ্ৰ মানুহে চাগে লোকে বহা চকীত ভৰি তুলি নিদিয়ে। কিন্তু বহুতে দিয়ে। বহুত শিক্ষিত চামৰ মাজতো এই দোষ-টো আছে। আমি শিক্ষিত হৈয়ো এই সাধাৰণ কু-অভ্যাসবোৰকো এৰিব পৰা নাই। কিমান লাজৰ বিষয়।

আৰু এটা নতুন খবৰ পালোঁ। ইমানদিনে ভাল কথাইহে মানুহক জ্ঞানী কৰে বুলি শুনি আহিছিলোঁ। কিন্তু বেয়া কথায়ো বোলে মানুহক জ্ঞানী কৰে। ই বাৰু নোহোৱা নোপোজা কথা নহয়নে ? বৰুৱাই লিখিছে—ভাল অভিজ্ঞতাই মানুহৰ মন যেনেকৈ সাৰুৱা কৰে, তেনেকৈ বেয়া অভিজ্ঞতায়ো কৰে। জীৱন জিটিল কৰা উদ্দেশ্যেৰে দুয়োবিধ অভিজ্ঞতাৰ প্ৰয়োজন আছে। এই বুলি বিশেষ এক অভিজ্ঞতা অৰ্জনৰ ক্ষেত্ৰত নিজকে একেবাৰে বিলীন কৰি দিয়াটো বৰ ভাল কথা নহয়। এনে কৰিবলৈ যোৱা মানে জীৱনক এচলীয়া কৰা।" সচাকৈ, অকল ভাল কথা জানিলে, বেয়াৰ পৰা আক্ৰমণৰ ভয় থাকে কিন্তু উভয়বিধে যদি জনা থাকে তেতিয়া হলে উভয়বিধৰ পৰা সাৱধান হৈ থাকিব পাৰি। নহয় জানো ? আমাৰ সমাজত "Sex" বস্তুটো বেয়া বুলি গণ্য কৰা হয় আৰু ইয়াৰ বিষয়ে ল'ৰা-ছোৱালীক শিক্ষা দিয়া নহয়। সেইকাৰণে সিহঁতে ইয়াৰ বিষয়ে অজ্ঞ হৈ থাকে। তাৰ ফলত আমি এই বিষয়টোৰ বিষয়ে লুকাই চোৰকৈ হলেও জানিব বিচাৰোঁ। কিন্তু সম্পূৰ্ণকৈ নাজানি আধা-খেচেৰাকৈ হে জানোঁ। তাৰ ফলত আমাৰ মন বেয়াৰ ফাললৈ ঢাল খায়। তুমি কি কোৱা ? সেয়ে আজি কালি প্ৰায় লৰাকে ছোৱালীৰ পিছে পিছে "লাইন" দিয়া দেখা যায়।

চিঠিখন বহুত দীঘলীয়াই হ'ল। লিখিবলগীয়া আৰু বহুতো কথা আছিল। পিছে তোমাৰ সময় নষ্ট কৰিবৰ মন নাই, লগতে মোৰো। পিছত সময় পালে আকৌ লিখিম। তোমাৰ উত্তৰত তোমাৰ মতা-মত পাম বুলি আশা কৰি আছোঁ। মৰম লবা।

ইতি—

তোমাৰ,

আনন্দ।

# —ঃনতুন দিগন্তঃ—

নিৰুপমা চৌধুৰী
১ম বাৰ্ষিক স্নাতক।

জীৱন নদীৰ গতি, বৰ কোবাল ভাইহঁত
পলসুৱা তাৰ মাটি, টানকৈ ধৰিবা খুপি
নহলে চাবা আকৌ—নৈৰ সোঁতে
উটুৱাই নিব কোনোবা দিশলৈ— ।
নাও মোৰ টুলুঙা, বঠাও সৰু
টিঙও পিছল বৰ ! সমুখত চাকনৈয়া।
কেনেবাকৈ পিছলিব লাগিলে তাত
জীৱনৰ হেৰাব আঁত ।
ৰবাচোন ৰবা, নাৱৰীয়া ভাইহঁত
অকণমান ৰোৱা, অকলশৰীয়া মই,
ধুমুহা আহিছে সৌৱা দেখা নাই ?
মোকো লৈ যোৱা, বহু পাছত ৰৈছো মই ।
নদীৰ সোঁত বৰ কোবাল ! ভয়াবহ চাকনৈয়া তাৰ।
তাতে পৰিল নাও মোৰ উজনি সোঁতত
হাতো হ'ল জঠৰ, দেহও পৰিল ভাগৰি
যাবানে ? এৰি মোক এই বিপদত ??
বহুতো মাতিলোঁ কাতৰ স্বৰে
মাতি মাতি পৰিলোঁ ভাগৰি
কোনেও নৰ'ল; উভতিও নাচালে
পিছলৈ, খন্তেকৰ বাবে !!
যোৱা, যোৱা ভাইহঁত !! আক্ষেপ নাই মোৰ !!
তথাপি কওঁ শুনা—হাতৰ এই বঠা
টানকৈ ধৰিবা একা ।  হাতৰ এই বঠা পৰিব
লাগিলে জীৱনৰ কোবাল সোঁতে
উটুৱাই লৈ যাব ।
সেয়েহে আহা আছা যদি কোনোবা
মোৰ দৰে অসহায়—নাও মেলা
বঠা ধৰা টানকৈ—বৰ টানকৈ
যাব যে লাগিবই আমি সকলো বাধা ঠেলি ।

★ ★ ★

## মোৰ মন

মঞ্জুলা দাস
১ম বাৰ্ষিক, স্নাতক।

ফেঁচাটিয়ে 'নিউ' 'নিউ' কৈ
কিযে কৈ গ'ল
মনটো দেখোন চমকি উঠিল,
কিবা কিবি ভাবেবোৰে
ভুমুকি মাৰি
মনটোত দোলা দি গ'ল।
'ফেঁচাৰ মাত অমঙ্গলীয়া',—
তাহানিতে কৈছিল আইতাই।
সেয়ে নেকি আজিও
শীত তাপ নিয়ন্ত্ৰিত
মোৰ ঘৰৰ বেৰত
তাৰেই প্ৰতিধ্বনি

## চিৰন্তন

লক্ষ্মী দাস
১ম বাৰ্ষিক, স্নাতক।

ভাৱনাৰ পৃথিৱীত
অন্তহীন অহা-যোৱা,
জীৱন গতিৰ পথত
কাৰো কতো আত্মীয়তা নাই
অকল্পনীয়া।
এই ভাৱনা
জীৱনৰ হাঁহি কান্দোনৰ মেলা,
ক্ষন্তেক মাথো
বিচিত্ৰ ভাৱনাৰ
জীৱন প্ৰেমত আৱদ্ধ আত্মা।
অহাৰ পথত আলোক নামে
যোৱাৰ পথত এন্ধাৰে আৱৰে।
আনন্দ-শোক এয়াই জীৱন,
জন্ম-মৃত্যু ৰীতি চিৰন্তন।

—×—

# ছটি খণ্ড কবিতা

অৰুণ বাভা
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়।

(১)

শৰৎ সন্ধ্যা ধৰাৰ বুকুত
দুখৰ ক্ৰন্দন মানুহৰ মুখত।

(২)

ফুল ফুলি গোন্ধ বহু দূৰ গ'ল।
ফুলৰ সৌন্দৰ্য কিন্তু থিতাতে ৰ'ল!

(৩)

কমৰত পৰুৱা দল সমূহীয়া
মানুহৰ সমাজ কিন্তু হিংসাকুৰীয়া।

(৪)

মৌমাখিয়ে মৌচাক সজায়
মানৱ সমাজে ভেদা-ভেদ সম্প্ৰসায়!

(৫)

মেঘৰ গৰ্জনে পৃথিবী কঁপায়
নিয়তিৰ গৰ্জনে মৃত্যু সোঁৰবায়।

(৬)

এই বৃহৎ কৰ্ম পথাৰত
জিৰণি নাই মানৱ জীৱনত।

★ ★ ★

# উত্তৰ ভাৰতত এভুমুকি

অৰ্জ্জুন বড়ো
১ম বাৰ্ষিক স্নাতক।

*"Every man likes to see the unseen and know the unknown-"*

ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কলেজ বিলাকলৈ মাজে সময়ে সাহায্য দিয়া হয়। ১৯৭৭ চনত আমাৰ কলেজে তেনে এটি সাহায্য পাইছিল। সেই সাহায্যেৰে আমাৰ কলেজৰ ফালৰ পৰা এগৰাকী অধ্যাপকক এটি দহজনীয়া ছাত্ৰৰ দল এটাক উত্তৰ ভাৰত ভ্ৰমণৰ বাবে প্ৰেৰণ কৰা হৈছিল। এই দলটোত অন্তৰ্ভুক্ত হোৱাৰ বাবে মোৰো সৌভাগ্য হৈছিল।

দেশভ্ৰমণৰ সুবিধা জীৱনত খুব কমেই আহে, বিশেষকৈ আমাৰ নিচিনা মানুহৰ বাবে। সেই সুবিধা এবাৰ হেৰালে দুনাই হয়তো পোৱা নাযায়। সেইবাবে সুবিধা এটি পাই ওলাই পৰিলোঁ ঐতিহ্যপূৰ্ণ দেশ ভাৰতবৰ্ষৰ দুই এখন নগৰী-মহানগৰী চাই মন আৰু কাণৰ দ্বন্দ্ব গুচাবলৈ।

অৱশেষত দিন বাৰ চাই উত্তৰ ভাৰতলৈ যোৱা যাত্ৰাৰ তাৰিখ ঠিক হ'ল। ১৯৭৭ চনৰ অক্টোবৰ মাহৰ ২৮ তাৰিখে। বহুদিনৰ পৰা ভাৰতবৰ্ষ ভ্ৰমণ কৰাৰ সপোন এটি পুহি ৰাখিছিলো। এই স্বপ্ন বাস্তৱলৈ ৰূপান্তৰিত হ'ব,— এই কথা চিন্তা কৰি মই আনন্দত অধীৰ হৈ পৰিলোঁ। উত্তৰ ভাৰতৰ ছয়খন প্ৰদেশ ( পশ্চিম বঙ্গ, বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, দিল্লী আৰু পঞ্জাব ) যথা সময়ত ভ্ৰমিবলৈ ওলালোঁ। এই ভ্ৰমণ ৰেলেৰে কৰাৰ ব্যৱস্থা হৈছিল। আকাশী যানেৰে আমাৰ ভ্ৰমণ আৰম্ভ হোৱা নাছিল যদিও ৰেল যানেৰে উৰণীয়া মনেৰে আমাৰ যাত্ৰা আৰম্ভ হৈছিল।

২৮ তাৰিখ। আবেলি ৫-৪০ বজাত গুৱাহাটী ৰেল ষ্টেচনৰ পৰা লক্ষ্ণৌ বুলি যাত্ৰা কৰিলোঁ। যাত্ৰাৰ আগ মুহূৰ্ত্তত ৰেলৰ প্লেটফৰ্মত বহুতো ছাত্ৰ বন্ধু আৰু অধ্যক্ষ মহোদয়েও আমাৰ এই দীৰ্ঘদিনীয়া ভ্ৰমণত বিদায় সম্ভাষণ জনাইছিলগৈ। ৰেলৰ গতিতকৈ মোৰ মনৰ গতি যে অতি ক্ষিপ্ৰভাৱে আগ বাঢ়িছিল সেইটো মোৰ বাহিৰে

আন কোনেও অনুভৱ কৰিব নোৱাৰে। ২৮ তাৰিখৰ পৰা একেবাৰে কেৱল গৈয়ে আছোঁ। ৰেলৰ খিড়িকীৰে বাহিৰলৈ চাই প্ৰাকৃতিক দৃশ্যবোৰ উপভোগ কৰি গৈছিলোঁ। যেতিয়া জলপাইগুৰিৰ চাঁহ বাগিচাবোৰ দেখা পাওঁ তেতিয়া তেজপুৰ ভ্ৰমণ কৰোঁতে দেখা আমাৰ অসমৰ চাহ বাগিচাবোৰ দেখা যেনহে অনুভৱ কৰিছিলোঁ। যেতিয়া বিহাৰ প্ৰদেশত প্ৰৱেশ কৰোঁ তেতিয়া কেৱল আমগছ বেছিকৈ দেখা পাইছিলোঁ। কিন্তু, বসন্ত কাল নাছিল বাবেই নেকি আমৰ শিখৰত কুলিৰ মাত শুনা নাছিলোঁ। আকৌ যেতিয়া বিহাৰ প্ৰদেশ এৰি উত্তৰ প্ৰদেশত সোমাওঁ তেতিয়া তাত প্ৰচুৰ পৰিমাণৰ কুহিয়াৰ খেতি দেখিবলৈ পাইছিলো। গৈ গৈ অৱশেষত ৩০ তাৰিখে ৰাতিপুৱা ৮ বজাত উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্ণৌ নগৰীত উপস্থিত হৈছিলোঁ। লক্ষ্ণৌ নগৰী পোৱলৈকে বাটত কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হোৱা নাছিল। এটা কথাত আমি অসুবিধা বোধ কৰিছিলোঁ। সেয়া হ'ল ভাষা। হিন্দী ভাষাৰ অজ্ঞতাৰ বাবে আমি চৰম লাজ পাইছিলোঁ। কোকৰাঝাৰৰ পৰা অসমীয়া ভাষাৰ কোনো অস্তিত্বই দেখা মনত নপৰিল। ৰেলত T. T. C. বিলাকে টিকট 'চেক' কৰিলে প্ৰায়ে হিন্দীৰে সোধে। ইফালে আমাৰ হিন্দীৰ জ্ঞান তেনেই সীমাবদ্ধ। হিন্দী ভাষাৰ জ্ঞান তেনেই সীমাবদ্ধ হোৱা বাবে ভীষণ অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছিলোঁ। সেই সময়তহে আমাৰ উপলব্ধি হৈছিল যে নিজৰ মাতৃভাষা বা প্ৰাদেশিক ভাষাৰ লগতে ৰাষ্ট্ৰভাষা হিন্দীও জানিব

লক্ষ্ণৌলৈ গৈ Calcutta Popular Hotel ত থাকিবলৈ লৈছিলোঁ। নগৰত প্ৰৱেশ কৰিয়েই একালত যে এই ঠাইত মুছলমানৰ ৰাজত্ব চলিছিল সেই কথাষাৰ উপলব্ধি কৰিছিলোঁ। বাট পথ বিলাক সিমান আহল বহল নহয়। ইয়াৰ উপৰিও এই ঠাইত গছ-গছনি অতি বিৰল।

লক্ষ্ণৌ নগৰীত বহুতো বস্তু দেখিলোঁ। তাৰ ভিতৰত সঙ্গীত মহাবিদ্যালয়, ঘণ্টাঘৰ, বিধান সভাৰ ঘৰ, ইমাম বৰা (ডাঙৰ, সৰু) বিশ্ববিদ্যালয়, মিউজিয়াম, ৰাজ্যিক চিৰিয়াখানা আৰু লগতে অন্যান্য বহুতো। এই বাবৰ ভিতৰত ইমাম বৰা (ডাঙৰ) লেখতলবলগীয়া। ই দীঘে আৰু পুতলে ৩৩০ ফুট। ইয়াৰ উপৰিও ঘৰটো দুইমহলীয়া। ওপৰ মহলত ১,০০০ খন দুৱাৰ আছে। কিন্তু উঠা-নমাৰ কাৰণে মাত্ৰ এখন দুৱাৰ। আমাৰ দলটোৰ বাবেই নহয়, সকলো ভ্ৰমণযাত্ৰীৰ বাবেই উঠা-নমা কৰাটো বৰ জটিল কাম। সেইবাবেই আমি এজন 'গাইড' লৈছিলোঁ। হোটেলত থাকোঁতে এটা অসমীয়া পৰিয়াল লগ পাইছিলোঁ। মানুহজন ৰেলৰে বিভাগৰ উচ্চ পদৰ কৰ্ম্মচাৰী। তেওঁলোকে ভ্ৰমণৰ কাৰণে গৈছিল। তেওঁলোকৰ লগত আমাৰ বহুতো কথা-বতৰা হৈছিল।

দুদিন থকাৰ পিছত চণ্ডীগড়লৈ যোৱাৰ বাবে সাজু হলোঁ। সেই উদ্দেশে ৩১ তাৰিখে আবেলি ৪ বজাত লক্ষ্ণৌ নগৰ এৰিলোঁ।

আবেলি লক্ষ্ণৌ নগৰৰ পৰা যাত্ৰা কৰি ১ নৱেম্বৰ ৰাতিপুৱা ৫ বজাত চণ্ডীগড় ৰেলৰে ষ্টেচন পালোগৈ। তেতিয়াও অৱশ্যে ৰাতিপুৱালৈ প্ৰায়

গোটেই ষ্টেচন জকমকাই আছিল। ৰেল ষ্টেচনৰ পৰা ৰাজধানীলৈ ৯ কিঃ মিঃ দূৰ। এইখিনি অৱশ্যে আমি চিটি বাছেৰে গৈছিলো। তালৈ গৈ আমি প্ৰথমতে "Blue Star" নামৰ হোটেল এখনত উঠোগৈ। হোটেল খন আধুনিক হোৱাৰ উপৰিও মেনেজাৰজনৰ আচাৰ ব্যৱহাৰ খুউব নম্ৰ হোৱাত আমি সচাঁকৈ আনন্দিত হৈছিলোঁ। কিন্তু এটা কথা, লাজৰ বিষয় হলেও কবলৈ বাধ্য হওঁ যে চুইচৰ দ্বাৰা হোটেলত কাম কৰা মানুহ বিচাৰিলে যে পইচা দিব লাগে সেই বিষয়ে আমি আটায়ে জনা নাছিলোঁ।

চণ্ডীগড়। আধুনিক পঞ্জাৱৰ ৰাজধানী। চহৰ খন সকলো ফালৰ পৰাই আধুনিক। সেইবাবেই ইয়াক "Modern city of India" বুলি কোৱা হয়। ইয়াৰ আলি পদূলিবোৰ আহল-বহল হোৱাৰ উপৰিও বেচ পৰিষ্কাৰ-পৰিচ্ছন্ন। ৰাস্তাৰ দুয়োকাষে শাৰী শাৰী গছ-গছনি বিশেষকৈ ইউলি পটাছ গছ দেখিবলৈ পোৱা যায়।

বিতোপন চণ্ডীগড় নগৰী। ই পঞ্জাৱ আৰু হাৰিয়ানাৰ উভয়েৰে ৰাজধানী। ইয়াতে দুয়োখন প্ৰদেশৰ ৰাজ্যপাল থকাৰ উপৰিও বিধান সভাৰ অধিবেশনো বহে।

দুপৰীয়া ১১ বজাত আহাৰ কৰি ঠাই চোৱাৰ মানসে গাড়ী এখন ভাড়া কৰি ওলাই পৰিলোঁ। চণ্ডীগড় নগৰীত অৱস্থিত জাকিৰ ৰোজ গাৰ্ডেন, গান্ধীভৱন, মিউজিয়াম, Shuckna Lake" আৰু লগতে বহুতো ঠাই চালোঁ। Shuckna Lake দেখিবলৈ মনোমোহা। হ্ৰদটোৰ পানী প্ৰৰিষ্কাৰ আৰু নীল বৰণীয়া। তাৰ পানীবোৰ চিকমিকাই থাকে যেনিবা মুকুতা মণিহে জ্বলি আছে। ৰূপতে ৰহন সানি ৰাজহংসবোৰৰ লগতে অন্যান্য পখীবোৰেও তাত নানা ৰকমৰ খেলা কৰি সাঁতুৰি-নাদুৰি ফুৰে। এই দৃশ্যাই মন দোলায়িত কৰি মোৰ হৃদয় ৰঞ্জিত কৰিছিল। পৰা হলে মই সেই দৃশ্য ৰাশিক লৈ কবিতাকে এটা লিখিলো-হেঁতেন।

সন্ধিয়া নামি অহাৰ লগে লগে আটায়ে আমাৰ মৌ জিৰণিৰ স্থল, হোটেললৈ উভতি আহোঁ। সন্ধিয়া সাত বজাত বন্ধু দধী মজুমদাৰ আৰু মোৰ বাহিৰে আটায়ে Appolo Circus চালে। দিনটো ঘূৰি ফুৰি অতি ক্লান্ত হোৱাৰ উপৰিও আগনিশা ৰেলত উজাগৰে কটাইছিলো বাবেই মোৰ চাৰ্কাচ চাবলৈ ইচ্ছা নগল।

২ নৱেম্বৰ। দিল্লীলৈ যোৱাৰ মানসেৰে ৰেল ষ্টেচনলৈ যাত্ৰা কৰিলোঁ। কিন্তু ষ্টেচনত ৰেল ধৰিব নোৱাৰি পিচ দিনালৈকে তাতে থাকিব লগীয়া হৈছিল। তাৰ পিচ দিনাখনহে চণ্ডীগড়ক বিদায় জনাই দিল্লীলৈ বুলি যাত্ৰা কৰিলোঁ।

৩ তাৰিখ। যেতিয়া দিল্লী ৰেল ষ্টেচন পাওঁ তেতিয়া নিশা ৯ বাজিছিল। নিয়ন লাইটৰ পোহৰত ষ্টেচন তেনেই জকমকাই আছিল। ষ্টেচনত মানুহৰ ভীৰ যে কেছি তাক উল্লেখ নকৰিলেও হ'ব। দিল্লীৰ পৰা নতুন দিল্লীলৈ ৪ কিঃ মিঃ দূৰত্ব। নতুন দিল্লীত প্ৰৱেশ কৰি আগতে যে সেই ঠাইত মুছলমান ৰাজত্ব চলিছিল তাক উপলব্ধি কৰিব পাৰি। তালৈ গৈ আমি "বিশাল হোটেলত" থাকিবলৈ লওঁ। নতুন দিল্লী বৰ ব্যস্ত চহৰ। মানুহ আৰু গাড়ীৰ সমাগম যথেষ্ট।

নতুন দিল্লী মহানগৰী ভাৰতৰ ৰাজধানী। ১৯১১ চনৰ পৰাই ই ভাৰতৰ ৰাজধানী হিচাপে স্বীকৃতি পায়। দেশৰ বিভিন্ন প্ৰান্তৰ মানুহৰ উপৰিও পৃথিৱীৰ সকলো দেশৰ মানুহৰ সমাগম স্থান এই মহানগৰী। মানুহ আৰু গাড়ীয়ে গোটেই নগৰ গম গমাই থাকে। ইয়াৰ বাট পথবোৰ আহল-বহল। বাটৰ দুয়ো কাষে গছ-গছনিৰে ভৰা। ডাঙৰ ডাঙৰ কেইবা মহলা অট্টালিকাৰে এই নগৰী পৰিপূৰ্ণ।

ৰাজধানী পোৱাৰ প্ৰথম দিনাখনে আমি Tourist বাচেৰে ৰাতিপুৱা ৯-৩০ বজাৰ পৰা আবেলি ২-২০ বজালৈকে দিল্লীৰ বিভিন্ন প্ৰান্ত ভ্ৰমি ফুৰোঁ। লালকিল্লা, শান্তিবন (নেহৰু-সমাধি), ৰাজঘাট (গান্ধী সমাধি), ৰাষ্ট্ৰীয় গান্ধী সংগ্ৰহালয়, সংসদ ভৱন, ৰাষ্ট্ৰপতি ভৱন, বিৰলা মন্দিৰ আৰু অৱশেষত India Gate চোৱা হয়। আবেলি আহাৰ কৰাৰ পিছত অকলে কুতুবমিনাৰ চোৱা হৈছিল। ৰাজঘাটলৈ যাওঁতে বন্ধু মজুমদাৰ আৰু মই, দুয়ো গান্ধীৰ সমাধিত মাল্যদান কৰিছিলোঁ। দিল্লী মহানগৰীৰ অন্যতম উল্লেখযোগ্য বস্তু হ'ল লালকিল্লা। এই লালকিল্লা মোগল সম্ৰাটে নিৰ্মাণ কৰা এটা বৃহৎ দুৰ্গ। এই দুৰ্গক লৈয়ে মোগল সম্ৰাট সকলে গৰ্ব কৰিছিল আৰু আজিও ই দিল্লী মহানগীৰৰ গৌৰৱৰ স্থল। দিল্লীত দুদিন অতিবাহিত কৰাৰ পিছত বন্ধু মজুমদাৰৰ সৈতে হাৰিয়ানা ৰাজ্যৰ অন্তৰ্গত ফৰিদাবাদৰ এটা বিমান বাহিনীৰ ছাউনীলৈ ফুৰিবলৈ গৈছিলোঁ আৰু তাতেই বহুদিনৰ মূৰত এটা অসমীয়া পৰিয়ালত, অসমীয়া মানুহে ৰন্ধা ভাত এসাজ খাই তৃপ্তি পাইছিলোঁ। ৪ বজাত দিল্লীলৈ উভতি আহোঁ। দিল্লীত তিনিদিন চাৰি নিশা অতিবাহিত কৰাৰ পিচত আগ্ৰালৈ যোৱাৰ বাবে সাজু হওঁ। সেই উদ্দেশ্যে ৰাতিপুৱা ৮-৩৫ বজাত দিল্লী মহানগৰী এৰিছিলোঁ।

৬ নবেম্বৰ। যেতিয়া আমি আগ্ৰাত উপস্থিত হৈছিলোঁ তেতিয়া সন্ধিয়া ৫ বাজিছিল। বিজুলী চাকিৰ পোহৰত চহৰখন জকমকাই আছিল। তালৈ গৈ আমি "মাদ্ৰাজ" হোটেলত থাকিবলৈ লওঁ। ৰাতিপুৱা ১০ বজাত আগ্ৰা দুৰ্গ চোৱা হয়। যেতিয়া দুৰ্গত প্ৰৱেশ কৰোঁ তেতিয়া তাহানি হাইস্কুলৰ এম, ই শাখাত পঢ়োঁতে শিক্ষক মহোদয়ে কোৱা এষাৰ কথা মোৰ মনলৈ আহিছিল। সেয়া হ'ল "দুৰ্গৰ পৰা তাজমহল নিচেই ওচৰতে আৰু তাৰ পৰাই দেখি।" দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰি অট্টালিকাৰ খিড়িকীৰে চাইছিলোঁ আৰু সচাঁকৈয়ে দুৰ্গৰ পৰাৰত তাজমহল দেখিবলৈ পাইছিলোঁ। প্ৰায় এঘণ্টামান চোৱাৰ পিছত চাহ-পানী খাই তাজমহললৈকে খোজ লওঁ। ১১-৩৫ বজাত তাজমহলত উপস্থিত হওঁ।

তাজমহল যমুনা নদীৰ তীৰত অৱস্থিত। মোগল সম্ৰাট চাহজাহানৰ মৰমৰ পত্নী মমতাজৰ প্ৰতি প্ৰেমৰ অনন্য স্বাক্ষৰ। তাজমহলৰ চৰণ ধুৱাই যমুনা যেন বৈ গৈছে। বিভিন্ন কাৰুকাৰ্য খচিত তাজমহলৰ ভিতৰত বহতো খোটালী আছে। প্ৰত্যেকটো খোটালীৰে চিত্ৰকলা আৰু কাৰু-কাৰ্য্যবোৰ ভিন্ন। পৃথিৱীৰ আচৰিত বস্তুৰ ভিতৰত ইয়ো অন্যতম। পিছদিনা এলাহাবাদ চোৱাৰ মানসেৰে আগ্ৰা এৰিলোঁ। আগ্ৰা এৰি এলাহাবাদলৈ গমন কৰোঁতে বেলত এটি অভিজ্ঞতা হৈছিল। এজনেহ

ৰেল। লোকে লোকাৰণ্য। আমি আহিছিলোঁ দ্বিতীয় শ্ৰেণীৰ ডবাত। আমাৰ লগতে একে ডবাত উঠিছিল এহাল বঙালী নৱ-দম্পতি। দম্পতি হাল সম্ভৱ খুব ধনী সম্প্ৰদায়ৰ। ভদ্ৰলোকজনৰ পৰিবাৰে উচুপি উচুপি গিৰীয়েকক কৈছিল, "আমি এমন ছোটলোকের সঙ্গে যাব না, আমিতো বার বার বলছি।" সাধাৰণ মানুহৰ প্ৰতি ধনী শ্ৰেণীটোৰ যে এটা বিজতৰীয়া ঘৃণা সোমাই আছে তাকেই ভদ্ৰমহিলা গৰাকীৰ কথাই প্ৰতিপন্ন কৰিছে। কথাখিনি শুনি কিন্তু মানুহ গৰাকীৰ প্ৰতি মোৰ খং উঠিছিল যদিও তেওঁৰ অজ্ঞতা দেখি অনুকম্পাও উপজিছিল।

এলাহাবাদ। আধুনিক ভাৰতৰ এলাহাবাদ। পুৰাণৰ প্ৰয়াগ। তাৰো আগৰ নাম বৎসদেশ। মোগলৰ শ্ৰেষ্ঠ সম্ৰাট আকবৰ প্ৰয়াগলৈ আহি ইয়াৰ নামকৰণ কৰিলে ইলাহাবাদ। স্থাপন কৰিলে ইলাহাবাদ দুৰ্গৰ ভেটি। চাহজাহানে ইলাহাবাদৰ নাম ৰাখিলে এলাহাবাদ। যেতিয়া আমি এলাহাবাদলৈ যাওঁ তেতিয়া নিশা ১১ বাজিছিল। তালৈ গৈ আমি "Samira Hotel" ত থাকিবলৈ লওঁ। ইয়াৰ আগতে আমি যিমানবোৰ হোটেল পাইছিলো সেই সকলোবোৰতকৈ আছিল ই অন্যতম। মুঠতে অত্যাধুনিক বুলি কলেও অত্যুক্তি কৰা নহয়।

ৰাতিপুৱা ১০-২০ বজাত ত্ৰিবেনী সঙ্গমলৈ (গঙ্গা, যমুনা আৰু সৰস্বতীৰ সঙ্গমস্থল) যাওঁ। তালৈ যাওঁতে আমি নাৱেৰে গৈছিলোঁ। ইয়াৰ আগতে মই কোনো ডাঙৰ নৈত নাৱত উঠি যোৱা নাছিলোঁ। সেইবাবে মনত ভয় ভাব কিছু পৰিমাণে সঞ্চাৰিত হৈছিল। তালৈ গৈ আমি পাণ্ডাৰ কবলত পৰি বিবুদ্ধি হোৱা কথা উল্লেখ নকৰিলেও হ'ব। ১১-৩০ বজাত সঙ্গমত স্নান কৰি হোটেললৈ উভতি আহোঁ। যদি মাঘী পূৰ্ণিমাত গৈ পালোহেঁতেন তেনেহলে কুম্ভমেলাকো চাই আহিব পাৰিলোহেঁতেন। পিছে তাৰ বহু আগতেই যোৱা বাবে সেই সৌভাগ্য আমাৰ নহ'ল। আবেলি অকল আনন্দভৱনহে চোৱা হৈছিল। অৱশেষত বেনাৰস বুলি এলাহাবাদ এৰিলোঁ।

৯ নবেম্বৰ। যেতিয়া বেনাৰসত উপস্থিত হৈছিলোঁ তেতিয়া ৰাতি ১১ বাজিছিল। তালৈ গৈ আমি "Bharat Rest House Hotel" ত থাকিবলৈ লৈছিলোঁ। তাৰ পিছদিনাখন ক্ৰমে কাশী মন্দিৰ, বেনাৰস হিন্দু বিশ্ববিদ্যালয়, সত্য নাৰায়ণ তুলসী মানস মন্দিৰ চোৱা হয়। তুলসী মানস মন্দিৰ এনে কাৰু-কাৰ্যৰে নিৰ্মিত যে বেৰত গোটেই ৰামায়ণখন আঁকি থোৱা আছে। ইয়াৰোপৰি প্ৰতিমূৰ্তিবিলাক যন্ত্ৰচালিত ব্যৱস্থাৰে ৰখা আছে। সেইবোৰ দেখি সচাঁকৈয়ে চাই থাকিবলৈ মন যায়। অসমতো এনে ধৰণৰ মন্দিৰ থকাহেঁতেন। ইয়াৰ পিছত আমি বেনাৰসৰ পৰা কলিকতালৈ যোৱাৰ বাবে সাজু হলোঁ। সেইবাবে আবেলি ৪-৩৫ এলাহাবাদ এৰিলোঁ।

যেতিয়া কলিকতাৰ হাওৰাত উপস্থিত হওঁ তেতিয়া পুৱা ৭-১৫ বাজিছিল। কলিকতা মহানগৰীত ২ দিন থকাৰ কথা আছিল। কিন্তু বহুত দিন অ'ত-ত'ত থকাৰ ফলত খোৱা, লোৱা, শোৱাৰ ঠিক নাইকীয়া হৈছিল। সেইবাবে আমাৰ আমনি লাগিছিল। আৰু সকলোৱে ঘৰলৈ অহাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছিল। সেয়ে বহু চাবলগীয়া

ঠাই আছিল যদিও হাওৰা দলং আদি চাই আবেলি ২-২৫ বজাত ঘৰ বুলি কলিকতা মহানগৰী এৰিলোঁ।

গুৱাহাটী মহানগৰী আহি পাওঁতে পাছদিনা সন্ধিয়া ৫-৩৫ বাজিছিল। নিয়ন চাকিয়ে চকু টিপিয়াই হাঁহি আমাক সম্ভাষণ জনাইছিল। ৰেলৰ পৰা নামি আমি আনন্দেৰে সকলোৱে 'আনন্দ লজ' হোটেললৈ খোজ লওঁ। সেইদিনা খনে আমি ৮-১৫ বজাত আটায়ে চিনেমা চাওঁ। তাৰ পিচদিনাখনহে আবেলি ৩ বজাত বকোত উপস্থিত হওহি।

এইদৰে দীৰ্ঘদিনীয়া ভ্ৰমণৰ সামৰণি পৰিল। কিন্তু আজিও মোৰ মন পখীয়ে চণ্ডীগড়ৰ সেই নীলাভ সলিল বাশিত নাচি বাগি থকা বাজ হংস চাই আহে গৈ, ত্ৰিবেনী সঙ্গমত অৱগাহন কৰি আহে গৈ। কৰ্ণকুহৰত আজিও প্ৰতিধ্বনি শুনো চাই অহা নগৰী-মহানগৰীৰ অগণিত জনতাৰ পদধ্বনি। সেই ধ্বনিত সন্ধান কৰোঁ জীৱন জিজ্ঞাসা। কিন্তু, জীৱন জিজ্ঞাসাৰ জানো শেষ আছে?

---

# দুটি গীত

শ্ৰীভাৰত চৌধুৰী
প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক।

গীত (১)

আই অ' আই মই
তোৰ বাবে কি কৰিলোঁ
তোক পূজিবলৈ
এটিও ফুল নাপালোঁ ॥
আই অ' আই—মোৰ
মই তোৰ চেনেহৰে ধন
কেনেকৈ পাহৰিম এবুকু মৰম
তুলনা বিহীন ইমান মৰম
কতো নাই কতো নাই
গোটেই জগত বিচাৰি চালোঁ ॥

মোৰ আই কিমান যে ভাল
মুখত বেজাৰ নাই, নাই অৱসাদ
মোৰেই বাবে দিনে নিশাই
ত্যাগৰ প্ৰতীক হৈ
নিজকে বিলাই—
এই কথা মই জানিলোঁ ॥

—x—

## গীত (২)

এটি নিজম কোঠাত
গভীৰ জোনাক ৰাতি
মই আছোহি বহি
তোমাৰ কথাকে ভাবি ॥

মোৰ মন দাপোণত উঠিছে ভাঁহি
তোমাৰ মুখৰ মধুৰ ছবি
তোমাৰ ওঠৰ মিচিকি হাঁহি
সেই ছবিতে সেই হাঁহিতে
তুমি মোৰেই হোৱাৰ
প্ৰতিশ্ৰুতি আছিল লাগি ॥

দূৰণিৰ ৰং দেখি
মোৰ হৃদয় ভাঙি ভাঙি
নতুনৰ সতে তুমি
নতুন পথেৰে বাট বুলিলা
( সেয়ে ) ময়ো থাকিম গীতৰ মাজত
সুৰৰ সোঁতত যাম ভাঁহি ॥

★★★★

# ❋ প্ৰবন্ধ ❋

## ভিনচেণ্ট ভেনগগ আৰু তেওঁৰ জীৱনলৈ অহা কেইগৰাকী নাৰী—

পবিত্ৰ ঠাকুৰীয়া
২য় বাৰ্ষিক, স্নাতক।

খ্যাতনামা শিল্পী ভিনচেণ্ট ভেনগগৰ সংগ্ৰামী আৰু বিপদসংকুল জীৱন বৰ্তমান যুগৰ প্ৰতি গৰাকী যুৱক-যুৱতীৰ বাবে প্ৰেৰণাৰ থল। পলগগাঁ, সেজন, লোট্ৰেক, এজবাৰ, মেনে, ডেগা, ৰেইনৰ, ক্লডমনে, চিচলে, কুবৈ, সুৰা আদি শিল্পীসকলৰ দৰে নিজৰ কল্পনাক চিত্ৰৰে বাস্তৱত ৰূপায়িত কৰিবলৈ জীৱন পাত কৰা শিল্পী ভিনচেণ্ট ভেনগগ। অংকনত তীব্ৰগতি আৰু ডাঠ ৰঙৰ ব্যৱহাৰ আছিল ভিনচেণ্টৰ চিত্ৰৰ অন্যতম বৈশিষ্ট্য। ব্যৱসায়, শিক্ষাদান, গ্ৰন্থ অধ্যয়ন আৰু ধৰ্মপ্ৰচাৰৰ কামৰ পিছত প্ৰায় একুৰি আঠ বছৰ বয়সত ছবি আঁকিবলৈ লৈ ভিনচেণ্টে জীৱনত সফলতা লাভ কৰিবলৈ যি কঠোৰ শ্ৰম কৰিছিল সি তবধ মানিবলগীয়া। অথচ সম্প্ৰতি ভিনচেণ্ট ভেনগগৰ প্ৰতিখন চিত্ৰৰ মূল্য অপৰিসীম যদিও জীৱিত অৱস্থাত এই শিল্পীজনে মূল্য সহকাৰে এখন ছবিও বিক্ৰী কৰিবলৈ সমৰ্থ হোৱা নাছিল।

জীৱিত কালত ভিনচেণ্ট ভেনগগৰ সংস্পৰ্শলৈ অহা প্ৰতিগৰাকী নাৰীৰ কথা আলোচনা কৰিবলৈ গ'লে বহুতৰে নাম উল্লেখ কৰিব লাগে যদিও ইয়াত সেইকেইগৰাকী নাৰীৰ কথাহে আলোচনা হ'ব, যি কেইগৰাকী নাৰীৰ প্ৰভাৱ ভিনচেণ্টৰ জীৱনত অতি সুস্পষ্ট। এই সকলৰ ভিতৰত উৰ্চুলা, কে'-ভচ, খ্ৰীষ্টিন, মাৰ্গট আৰু ৰাঁচেলৰ ভূমিকা আছিল উল্লেখযোগ্য।

লণ্ডনৰ বিখ্যাত 'গুপিল কোম্পানী' আছিল গোটেই ইউৰোপৰ প্ৰখ্যাত শিল্পীসকলৰ ব্যৱসায়িক কেন্দ্ৰ। ভিনচেণ্টে লয়াৰ্ছ পৰিয়ালত থাকি এই 'গুপিল কোম্পানি'ত কাম কৰিছিল। পৰিয়ালটোত মানুহ আছিল মুঠে দুজনী— উৰ্চুলা আৰু উৰ্চুলাৰ বিধৱা মাক। দেখাত উৰ্চুলাজনী আছিল অতি ৰূপহী। হলেণ্ডৰ নিজ পৰিয়ালত কঠোৰ শাসনৰ মাজেদি ডাঙৰ হোৱা ভিনচেণ্টে কোনো দিনে

কোনো ছোৱালীক ভাল পোৱা নাছিল নাইবা কোনো গাভৰুৰ লগত ঘনিষ্ঠতা স্থাপন কৰিবলৈ সুযোগ পোৱা নাছিল। উর্চ্চুলাকে তেওঁ পোন প্ৰথমে ভাল পাবলৈ শিকিছিল। অৱশ্যে কামনা বাসনাৰ অভিলাস তেওঁৰ প্ৰেমত নাছিল বুলি ক'ব নোৱাৰি।

কামৰ পৰা উভতি আহি ভিন্‌চেন্টে প্ৰায়ে উর্চ্চুলাৰ সান্নিধ্য পাইছিল কিন্তু উর্চ্চুলাক হে তেওঁ প্ৰাণভৰি ভাল পায় এই কথা প্ৰকাশ কৰাৰ সাহস গোটাব পৰা নাছিল। সৰু সৰু ল'ৰা-ছোৱালীলৈ উর্চ্চুলাৰ এখন সৰু নিজা স্কুল আছিল। স্কুলৰ দেৱালত আঁৰিবলৈ ভিন্‌চেন্টে—'চিজাৰ দি বকৰ' এখন ছবি আনিছিল। নিশা এদিন ছবিখন আঁৰি দুয়োজনে উভতিছে। এনেতে ভিন্‌চেন্টে উর্চ্চুলাক বাট ভেটি ধৰি মনৰ কথা বিৱৰি ক'লে। এনে এটা প্ৰস্তাৱৰ বাবে উর্চ্চুলা অকণো সাজু নাছিল। অৱজ্ঞাৰ দৃষ্টিৰে প্ৰায় আৰ্তনাদ কৰি তাই প্ৰতিবাদ কৰিলে। লগতে ইয়াকো জনালে যে ইতিমধ্যে তাইৰ বিয়াৰ বন্দবস্ত আনৰ লগত হৈ গৈছে। তেনেস্থলত ভিন্‌চেন্টে এনে কথা নভবাই ভাল। কিমান সময় স্তব্ধ হৈ আছিল ভিন্‌চেন্ট, তেওঁ নিজেই গম নাপালে। এটা সময়ত ভাবৰ প্ৰৱল ঢৌৱে ভিন্‌চেন্টৰ হক-বিহকৰ বান্ধোন ভাঙি উটুৱাই নিলে। আবেগ বিহ্বল হৈ উন্মাদৰ দৰে তেওঁ উর্চ্চুলাক সাৱটি ধৰি তাইৰ প্ৰেমৰ বাবে অনুনয় কৰিবলৈ ধৰিলে। সজোৰে ভিন্‌চেন্টৰ কঠিন বাহু বন্ধনৰ পৰা নিজকে মুক্ত কৰি প্ৰচণ্ড ঘৃণাৰে চিঞৰি উঠিল উর্চ্চুলাই—"ৰঙা মূৰা মূৰ্খ ক'ৰবাৰ। "

উর্চ্চুলাৰ এনে ব্যৱহাৰে ভিন্‌চেন্টৰ জীৱন অতি দুৰ্বহ কৰি তোলে। কেইদিনমানৰ পাছতে ভিন্‌চেন্টক লণ্ডনৰ পৰা বদলি কৰা হয়। পিছত স্বইচ্ছাই ভিন্‌চেন্টে এই কাম ত্যাগ কৰি ৰামচ্ গেটৰ এখন স্কুলত শিক্ষক নিযুক্ত হয়। ইয়াৰ পিছত মিঃ জন্‌চৰ জৰিয়তে টাৰ্ণহামগ্ৰীণৰ বিশাল গীৰ্জাৰ যাজক নিযুক্ত হয়। উর্চ্চুলাৰ কথা তথাপি ভিন্‌চেন্টে পাহৰিব পৰা নাছিল। সেয়ে টাৰ্ণহামগ্ৰীণৰ পৰা লণ্ডনৰ লয়াৰ্ছ পৰিয়াললৈ প্ৰায় ৬০ মাইল। এই সুদীৰ্ঘ পথ উর্চ্চুলাৰ দৰ্শনৰ বাবে অশেষ পৰিশ্ৰমেৰে প্ৰায় তেওঁ খোজ কাঢ়ি আহিছিল।

এদিন তিতিবুৰি একাকাৰ হৈ বিয়লি ভিন্‌চেন্টে লয়াৰ্ছ পৰিয়ালৰ ঘৰৰ ওচৰ পালে। ঘৰৰ পৰা ভাঁহি অহা বেহেলাৰ সুমধুৰ ধ্বনি আৰু বৈঠকখানাৰ পৰা ভাঁহি অহা যুগল দম্পতিৰ নৃত্যৰ ছন্দই তেওঁক সচকিত কৰি তুলিলে। ওচৰত বহি থকা কচোৱান জনক সুধি তেওঁ নিশ্চিত হ'ল যে এয়া উর্চ্চুলাৰ বিবাহ উৎসৱ। সেয়ে ততালিকে টাৰ্ণহামগ্ৰীণলৈ তেওঁ উভতিল। ইয়াতে ভিন্‌চেন্টৰ উর্চ্চুলাৰ প্ৰতি অনুকম্পা চিৰদিনৰ বাবে লয় পালে।

প্ৰকৃতাৰ্থত এজন ধৰ্মপ্ৰচাৰক হোৱাৰ মানসেৰে ভিন্‌চেন্টে শিক্ষকতা বাদ দি এইবাৰ লণ্ডন এৰি আমষ্টাৰ্ডমত থকা দদায়েক জোহানচ্ ভেনগগৰ তদাৰকত থাকি গভীৰ অধ্যয়নত নিমগ্ন হ'ল। তাতেই মহাদেৱেক ষ্ট্ৰিকাৰৰ আমন্ত্ৰণ ক্ৰমে ভিন্‌চেন্টে আমষ্টাৰ্ডমলৈ যায় আৰু ষ্ট্ৰিকাৰৰ কন্যা বিবাহিতা কে'ভচৰ লগত চিনাকি হয়।

কে' ভেতিয়া এজনী দুবছৰীয়া সন্তানৰ মাতৃ। উথলি পৰা যৌৱনৰ হৃষ্টপুষ্ট কে'ৰ শৰীৰটোলৈ— "কোনোবা ভাস্কৰে যেন নিজ বটালীৰে আনি দিছিল অপৰূপ কমণীয়তা" গভীৰ নীলা চকু যুৰিৰে লাৱণ্যময়ী কে'ৰ দেহটোত যেন; বতাহ আৰু সূৰুযৰ স্পৰ্শই পৰা নাছিল।

সম্পূৰ্ণ এবছৰ কঠোৰ অধ্যয়নৰ অন্তত ভিন্‌চেন্টে অনুভৱ কৰিলে অলসতা। প্ৰকৃতাৰ্থত তেওঁ বিচাৰিছিল বিশাল জাকজমকপূৰ্ণ উপাসনা মন্দিৰত লিপিবদ্ধ বাণী পঢ়াৰ বিপৰীতে পীড়িত, শোষিত, সৰ্বাহাৰা জনগণৰ সেৱা কৰি তেওঁলোকৰ মাজত ধৰ্মৰ বাণী শুনাবলৈ লগে লগে ভিন্‌চেন্টে কাৰোপৰা বিদায় নোলোৱাকৈয়ে আমষ্টাৰ্ডম এৰি ব্ৰুচেলছলৈ আহে আৰু এখন স্কুলত ভৰ্তি হয়।

ইয়াৰ পিছত পৰীক্ষাত অকৃতকাৰ্য হোৱাৰ পিছতো পিটাৰ্চনৰ যত্নত ভিন্‌চেন্টে বৰিনেজৰ কয়লা খনিৰ বনুৱা সকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰাৰ প্ৰয়াস পায়। পুঁৱতি নিশাৰে পৰা মৰ-গধূলিলৈকে খনিৰ তলৰ বিপদ সংকুল অৱস্থাত কাম কৰি ৰাজহাড় বেঁকা কৰা শ্ৰমিক সকলৰ দুখত ভিন্‌চেন্ট সহানুভূতিশীল হৈ পৰে। ইয়াতেই ধৰ্মৰ প্ৰতি তেওঁৰ চৰম অনীহা ওপজে। লাহে লাহে ধৰ্ম প্ৰচাৰৰ ঠেক গণ্ডিৰ পৰা মুক্ত হৈ বৰিনেজৰ কয়লা পাহাৰৰ ওপৰত বহি বহি ভিন্‌চেন্টে আঁকি যায় এখন দুখনকৈ বহুতো ছবি। তেওঁৰ আত্মাই যেন [বিচাৰে এজন প্ৰকৃত চিত্ৰকৰ হ'বলৈ। এইদৰে কিছুকাল পাৰ হোৱাৰ পিছত ভিন্‌চেন্টে মৰমৰ ভায়েক থিয়োৰ আহ্বান উপেক্ষা কৰিব নোৱাৰি এদিন নিজৰ ঘৰ বাব্ৰান্টলৈ বুলি ঢাপলি মেলিলে। বাব্ৰান্টলৈ আহি ভিন্‌চেন্টে দেখিলে যে ইতিমধ্যে কে' ও তাত উপস্থিত। স্বামীৰ অকাল বিয়োগৰ বিষাদ বেদনাত কে'ৰ মন ভাৰাক্ৰান্ত। ৰাতিপুৱাৰ পৰা সন্ধ্যালৈ ভিন্‌চেন্টে পথাৰৰ প্ৰান্তলৈ গৈ ছবি আঁকে। লগত থাকে কে' আৰু শিশু সন্তানটি। এনেদৰে ভিন্‌চেন্ট আৰু কে'ৰ সম্বন্ধ প্ৰগাঢ় হৈ উঠে। কে'ৰ সান্নিধ্যই ভিন্‌চেন্টৰ দেহলৈ আনে অফুৰন্ত শক্তি আৰু তেওঁৰ মন উপচি পৰে অপৰিসীম তৃপ্তিত। যিদিনা কে' লগত থাকে সিদিনা ভিন্‌চেন্টে উল্লাস ভৰা চিত্তে দ্ৰুত গতিৰে কাম কৰিবলৈ মনত শক্তি পায় আৰু যিদিনা কে' লগত নাথাকে সিদিনা নক্সাৰ প্ৰতিডাল ৰেখাই যে তেওঁৰ গভীৰ দুখৰ বোজা হৈ পৰে।

এদিন পথাৰত ভিন্‌চেন্টে নক্সা কেইখনমান দেখুৱাবলৈ কে'ৰ কাষত আঠু কাঢ়ি বহি লয়। দাঙি ধৰা নক্সাবোৰ তেওঁৰ হাতৰ পৰা খহি পৰিল। ইমান দিনৰ সংযমৰ বান্ধ যেন পলকতে সুলকি গ'ল। ভয়ংকৰ ভাবে নিজৰ বুকুৰ মাজলৈ কে'ক টানি আনি ভিন্‌চেন্টে যে তাইক কিমান ভাল পায় তাকে কবলৈ ধৰিলে। ভয় আৰু ঘৃণাত কে'ৰ মুখমণ্ডল বিবৰ্ণ হৈ পৰিল। শৰীৰৰ সমস্ত বল প্ৰয়োগ কৰি তাই ভিন্‌চেন্টৰ বাহু বন্ধনৰ পৰা মুক্ত হৈ তীব্ৰ স্বৰে কৈ উঠে —"কেতিয়াও নহয়— কেতিয়াও নহয়।" তৎক্ষণাত শুই থকা শিশুটি তুলি লৈ কে'ই উন্মাদিনীৰ দৰে পথাৰে পথাৰে দৌৰিবলৈ ধৰিলে। ভিন্‌চেন্টে কে'ৰ প্ৰতি কৰা অশালিন ব্যৱহাৰৰ বাবে মাক-দেউতাকৰ